# পখিলা

## অসমীয়া

**প্ৰশ্ন ১ : উত্তৰ লিখা :**

**(ক) পখিলাটি ক’ত পৰিছে ?**

**উত্তৰ :** গোলাপ ফুলত পৰিছে।

**(খ) ভনিয়েকে বায়েকক পখিলাটি ধৰিবলৈ কিয় খাটনি ধৰিছে ?**

**উত্তৰ :** পখিলাটো ল’বলৈ মন যোৱা বাবে ধৰি দিবলৈ খাটনি ধৰিছে।

**(গ) বায়েকে পখিলাটি ধৰিবলৈ কিয় অমান্তি হৈছে ?**

**উত্তৰ :** বায়েকে পখিলাটো ধৰিবলৈ এইবাবেই অমান্তি হৈছে যে পখিলাটো ধৰিলে তাৰ পাখি দুখন একেবাৰে নষ্ট হৈ যাব।

**(ঘ) ভনিয়েকে বায়েকক পখিলাটো ধৰি দিবলৈ অনুৰোধ কৰোঁতে বায়েকে কি বুজনি দিছিল ?**

**উত্তৰ :** বায়েকে ভনিয়েকক বুজনি দিছিল যে তেওঁ যদি ধুনীয়া পখিলাটো ধৰি ভনিয়েকৰ হাতত দিয়ে তেনেহ’লৈ পখিলাটোৰ সৌন্দৰ্য আৰু নাথাকে। পখিলাৰ ধুনীয়া পাখিবোৰ বৰ কোমল। মানুহৰ হাতত পৰিলে সেই পাখি দুখনিব সৌন্দৰ্য একেবাৰে চুৰমাৰ হৈ যাব।

**(ঙ) ভনিয়েকে কি ভাবি পখিলাটি যাবলৈ দিলে ?**

**উত্তৰ :** পখিলাটো ধৰিলে মৰি যাব বুলি ভাবি ভনিয়েকে পখিলাটি উৰি যাবলৈ দিলে।

**(চ) ফুলৰ ওপৰত পৰি ফুলৰ মৌ পান কৰা পাঁচবিধ প্ৰাণীৰ নাম লিখা।**

**উত্তৰ :** মৌ মাখি, ভোমোৰা, পখিলা, মৌ পিয়া চৰাই আৰু টুনি চৰাই।

**প্ৰশ্ন : তলত দিয়া শব্দবোৰৰ অৰ্থৰ সৈতে মিলোৱা :**

| | |
|---|---|
| আহৰি | সৌন্দৰ্য |
| যেনে তেনে | নষ্ট হোৱা |
| চুৰমাৰ | পুনৰ |
| আকৌ | সহ্য কৰা |
| শোভা | অৱকাশ |
| সহিব | যি কোনো প্ৰকাৰে |

**উত্তৰ :**

| | |
|---|---|
| আহৰি | অৱকাশ |
| যেনে তেনে | যি কোনো প্ৰকাৰে |
| চুৰমাৰ | নষ্ট হোৱা |
| আকৌ | পুনৰ |
| শোভা | সৌন্দৰ্য |
| সহিব | সহ্য কৰা |

**প্ৰশ্ন ৩ : তলত দিয়া শব্দবোৰেৰে বাক্য ৰচনা কৰা ।**

**শুৱনি, ধুনীয়া, ধেমালি, পাখি, বপুৰী**

**উত্তৰ :**

| | |
|---|---|
| শুৱনি | আমাৰ পদূলি মুখত এজোপা শুৱনি নাহৰ গছ আছে। |
| ধুনীয়া | ধুনীয়া তিৰোতা এজনী ৰাস্তাৰে গৈ আছে। |
| ধেমালি | মই ভাইটিৰ লগত ধেমালি কৰি থকা দেখিলে দেউতাই বৰ স্ফূতি পায়। |

| | |
|---|---|
| পাখি | পখিলাৰ ৰংচঙীয়া পাখি দুখন দেখিলেই ভাল লাগে। |
| বিপুৰী | বপূৰী কণমানিজনীলৈ বৰ বেয়া লাগে। |

**প্ৰশ্ন ৪ : বিপৰীত অৰ্থ বুজোৱা শব্দ লিখা :**

**বেয়া, ধুনীয়া, মেলি, ওপৰত, মৰা**

**উত্তৰঃ**

| | |
|---|---|
| বেয়া | ভাল |
| ধুনীয়া | কুৎসিত, আপচু, কুশ্ৰী, কুন্ধচ |
| মেলি | জপাই |
| ওপৰত | তলত |
| মৰা | জীৱিত, জীৱন্ত |